অসম

পুৰবী ডেইৰীৰ পৰা বিষাক্ত গেছ নিৰ্গমনৰ অভিযোগ, তদন্তৰ নিৰ্দেশ মুখ্যমন্ত্রীৰ

পাঞ্জাবাৰীৰ পুৰবী ডেইৰীৰ পৰা সম্ভাব্য বিষাক্ত গেছ নিৰ্গমন আৰু দুৰ্গন্ধৰ অভিযোগত প্ৰদূষণ নিয়ন্ত্রণ পৰিষদক পৰীক্ষাৰ নিৰ্দেশ দিয়া হৈছে।

প্ৰকাশ: ১০ নৱেম্বৰ ২০২৬, নিশা ৭:৪১



গুৱাহাটী: মহানগৰীৰ পাঞ্জাবাৰীত অৱস্থিত পুৰবী ডেইৰীৰ পৰা বিষাক্ত গেছ নিৰ্গমন হোৱাৰ অভিযোগ উঠিছে। শিলগ্ৰাম আৰু শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আশে-পাশে থকা অঞ্চলৰ একাংশ বাসিন্দাই দুৰ্গন্ধ আৰু অস্বস্তিৰ সন্মুখীন হোৱাৰ অভিযোগ কৰিছে।

বিষয়টো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দৃষ্টিগোচৰ হোৱাৰ পাছতে মুখ্যমন্ত্ৰীগৰাকীয়ে তদন্তৰ নিৰ্দেশ দিছে।

মঙলবাৰে কেবিনেট বৈঠকৰ পাছত বিষয়টো উত্থাপন হোৱাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত পূৰ্বে অৱগত নাছিল বুলি জানায়।

প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদক বিষয়টো পৰীক্ষা কৰিবলৈ কোৱা হ'ব বুলি তেওঁ উল্লেখ কৰে। সেইদিনাই পৰিষদক

বিষয়টো সন্দর্ভত খবৰ ল'বলৈ নির্দেশ দিয়াৰ কথাও মুখ্যমন্ত্রীগৰাকীয়ে জনায়।

উল্লেখ্য যে, পাঞ্জাবাৰী আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলৰ বাসিন্দাসকলে দুর্গন্ধ আৰু সম্ভাব্য গেছ নির্গমনৰ ঘটনাক লৈ উদ্বেগ প্রকাশ কৰিছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1878/purabi-dairy-gas-emission-probe